NIPUN AXOM G2L-23

অসমীয়া

# মৌচাক-২

## (দ্বিতীয় শ্ৰেণীৰ বাবে পঠন পুস্তিকা)



**প্ৰস্তুতকৰণ**

**ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম**

**সমগ্ৰ শিক্ষা অসমৰ সহযোগত**

**MOUCHAK-2:** A reading book for class II in Assamese, developed and reviewed by SCERT, Assam through workshops

**ALL RIGHTS RESERVED:** No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles, reviews or research papers) may be made without written authorization from the SCERT, Assam.

**গ্ৰন্থস্বত্ব ঃ** ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

প্ৰথম প্ৰকাশ ঃ **২০২৩**

**প্ৰকাশক ঃ**

**মুদ্ৰণ ঃ**

___/___/_____

সপ্তাহঃ ১

# শব্দ

| | | | | |
|---|---|---|---|---|
| কল | কমলা | বৰ | কম | আম |
| খৰ | খাল | মল | বাৰ | কাল |
| খৰম | অমৰা | আখৰ | মম | আৰাম |
| মামৰ | বল | অমৰ | মৰম | বৰল |
| বাখৰ | বৰাক | খবৰ | কবৰ | মালা |
| ককা | মামা | কলম | আখল | আকৰ |





.......................................

# শব্দ

____/____/______

সপ্তাহঃ ২

| | | | | |
|---|---|---|---|---|
| কাণ | নাক | এক | জল | তৰা |
| জাম | বিল | নখ | জিকা | তিতা |
| বাতৰি | জিলিকা | জাল | ঋণ | তৰল |
| তিখৰ | তাম | নিমখ | নিমাত | তলা |
| মন | নাৰিকল | ৰবিবাৰ | কাৰখানা | জাকজমক |
| তাল | বতৰ | জবা | ৰবাব | আইতা |

..................................





___/___/_____

সপ্তাহঃ ৩



মকৰাৰ জাল



আইতাৰ আখল



মণিকাৰ নখ



কুলি ক'লা




আইতাৰ আইনা



ককাৰ খৰম



খুৰীৰ খাৰু



ৰাতিৰ আকাশ



তিৰবিৰ তৰা



জুইৰ উম



..............................................

__/__/____
সপ্তাহঃ ৪




মাটিৰ টেকেলি
মাটিৰ চাকি



কাচৰ বটল
খালী বটল



বৰষুণৰ বতৰ
বৰষুণত নিতিতিবা



বাৰীৰ লাই শাক
বাৰীৰ কোমোৰা




কলৰ খেতি
মিলিয়ে কৰা খেতি

..............................


___/___/_____

সপ্তাহঃ ৫



ছাগলীয়ে পাত খাইছে।

পুখুৰীত মাছ আছে।







চৰাইজনী উৰি আছে।



ফুলত পখিলা পৰিছে।




ফজল এজন খেতিয়ক।



মেজৰ ওপৰত মেকুৰীটো বহিছে।




আইতাই কিতাপ পঢ়িছে।




ঝক্-ঝক্ কৈ ৰে'লখন চলিছে।




ঢুলীয়াই ঢোল বজাইছে।



গছৰ ডালত চৰাই বহিছে।



ডলাত ঢেঁকীয়া শাক থৈছে।




ঘৰচিৰিকাই চাউল খাইছে।

আইতাই বিহুত বিহুৱান দিব।
আমি আইতাক সেৱা জনাম।



পুখুৰীত পদুম ফুল ফুলি আছে।
হাঁহকেইটা পুখুৰীত চৰি আছে।



মুকলি ঠাইত কিছু সময় ফুৰিবা।
ফুৰি আহি মনপুতি পঢ়িবা।



চুবুৰীয়াৰ লগত মিলিজুলি থাকিবা।
চুবুৰীয়াৰ সুখ-দুখত মাত দিবা।





..........................................

মৌপিয়া এবিধ সৰু চৰাই।
ই ফুলৰ মৌ বিচাৰি ফুৰে।



এতিয়া আবেলি হ’ল।
ল’ৰাহঁতে বল খেলিবলৈ গ’ল।



আজি কাতি বিহু।
গধূলি তুলসীৰ তলত চাকি দিছে।



ধাননি পথাৰৰ ধান পকিছে।
পকা ধানৰ ৰং সোণালী।




___/___/_____
সপ্তাহঃ ১০




আজি শিক্ষক দিৱসত ছাহিদে পঢ়াশালিত ভাল গান পৰিৱেশন কৰিলে। সকলো শিক্ষকে তাক উৎসাহিত কৰিছে।



আমাৰ পঢ়াশালিত পুথিভঁৰাল আছে। আমি সদায় পুথিভঁৰালত কিতাপ পঢ়োঁ। সাধু কিতাপ পঢ়ি মোৰ ভাল লাগে।




পূজাৰ ঘৰ মদনপুৰত। মদনপুৰৰ ওচৰত এখন নদী আছে।
তাই সদায় আইতাকৰ লগত নদীৰ পাৰলৈ ফুৰিবলৈ যায়।




ধনটি মোৰ সমনীয়া। আমি একেলগে বল খেলোঁ।
নীলাক্ষিও আমাৰ লগত মিলিজুলি খেলিবলৈ আছে।
আমি একেলগে খেলোঁ।

___/___/_____

সপ্তাহঃ ১২





এজনী লুভীয়া মেকুৰী আছিল। এদিন তাই পাকঘৰত ভজা মাছ খাই আছিল। এনেতে কুকুৰ এটা দেখি তাই ভিৰাই লৰ দিলে।



এতিয়া বৰষুণ দি আছে। পলাশে বৰষুণত ছাতি লৈ ফুৰিবলৈ ভাল পায়। কৰবীয়ে কাগজৰ নাও সাজি বৰষুণৰ পানীত উটুৱাই ভাল পায়।

হিয়াৰ এজনী মেকুৰী আছে। মেকুৰীজনীৰ নাম পুছী।
তাইৰ গাৰ বৰণ বগা। তাই গাখীৰ খাই ভাল পায়।
তাই হিয়াৰ বৰ মৰমৰ।

গোলাপ ফুল দেখিবলৈ ধুনীয়া। ভিন ভিন ৰঙৰ গোলাপ আছে।
গোলাপৰ সুবাস বৰ ভাল লাগে।
গোলাপক ফুলৰ ৰাণী বুলি কোৱা হয়।

নয়ন এজন বৰ ভাল ল'ৰা। আমি দুয়ো একে শ্ৰেণীতে পঢ়োঁ।
তাৰ ঘৰ মোৰ ঘৰৰ ওচৰত।
আবেলি পৰত আমি একেলগে খেলোঁ।

___/___/_____

সপ্তাহঃ ১৬

ৰহিমলাৰ পঢ়াশালিখন হৰিপুৰ গাঁৱত।
পঢ়াশালিখনৰ আগফালে এখন ফুলৰ বাগিচা আছে।
আজি ৰবিবাৰ। সেইবাবে তাই পঢ়াশালিলৈ যোৱা নাই।

গৰুৰ চাৰিখন ঠেং। গৰুৰ দুটা শিং আৰু এডাল নেজ থাকে।
গৰুৱে ঘাঁহ খায়।
গৰু ৰখা ঘৰক গোহালি বোলে।

পানী সকলো জীৱৰ বাবে অতি দৰকাৰী।
আমি বৰষুণ, নদী, কুঁৱা আদিৰ পৰা পানী পাওঁ।
পানী অবাবতে অপচয় কৰিব নালাগে।





..........................................

___/___/_____

সপ্তাহঃ ১৭

## পঠন অভ্যাস - ১

মই আম খাই ভাল পাওঁ। আজি আমাৰ ঘৰলৈ বিমল মামা আহিছে। তেওঁ মোৰ বাবে পকা পকা আম আনিছে।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ১৮ |

৬০ ছেকেণ্ড

দিনাংক .................................... চহী ....................................

## পঠন অভ্যাস - ২

ৰিয়া আৰু জিয়া দুয়ো মেলা চাবলৈ গ'ল। মেলাত নানা ধৰণৰ পুতলা দেখিলে। মাকে দুয়োকে এটা এটা পুতলা কিনি দিলে।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ১৯ |

৬০ ছেকেণ্ড

দিনাংক .................................... চহী ....................................

## পঠন অভ্যাস - ৩

ৰিজুৰ ঘৰত এটা কুকুৰ আছে। তাৰ নাম জিমি। এদিন ৰিজুৱে জিমিক এটা বগা বল দিলে। জিমিয়ে সেই বলটো খেলি থাকে।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ২০ |

৬০ ছেকেণ্ড

দিনাংক .................................... চহী ....................................

....................................





___/___/_____

সপ্তাহঃ ১৮

## পঠন অভ্যাস - ৪

নিতুল ৰীমাৰ ককায়েক। এদিন ৰীমাৰ বৰ ভোক লাগিল। নিতুলে ৰীমাক দুটা কল আনি দিলে। ৰীমাই কল দুটা খাই বৰ ভাল পালে।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ২১ |

৬০ ছেকেণ্ড

দিনাংক ..................................  চহী ..................................

## পঠন অভ্যাস - ৫

শেৱালীৰ দেউতাকে সদায় বাতৰি কাকত পঢ়ে। এদিন দেউতাকে বাতৰি কাকতখন বিচাৰি পোৱা নাছিল। শেৱালীয়ে কাকতখন বিচাৰি পালে। তাই দৌৰি আহি দেউতাকক কাকতখন দিলে।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ২৩ |

৬০ ছেকেণ্ড

দিনাংক ..................................  চহী ..................................

## পঠন অভ্যাস - ৬

জেৰিণৰ এটা মেকুৰী আছে। তাৰ নাম মিমি। সি ভজা মাছ খাই বৰ ভাল পায়। এদিন জেৰিণৰ মাকে বজাৰত মাছ নাপালে। সেইদিনা মিমিয়ে আলু ভজা খালে।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ২৫ |

৬০ ছেকেণ্ড

দিনাংক ..................................  চহী ..................................



..................................

___/___/_____

সপ্তাহঃ ১৯

## পঠন অভ্যাস - ৭

কালি আবেলি দবা-পিটা বৰষুণ দি আছিল। ধুনুৱে ঘৰৰ ভিতৰতে খেলি আছিল। ধুনুৰ খুৰায়েকে কাগজৰ নাও সাজি দিছিল। বৰষুণ কমাৰ পাছত তাই নাওখন বোঁৱতী পানীত এৰি দিছিল।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ২৫ |

৬০ ছেকেণ্ড

দিনাংক ................................ চহী ................................

## পঠন অভ্যাস - ৮

আজি কৰবী ৰে'লত উঠি মোমায়েকৰ ঘৰলৈ যাব। কৰবীৰ লগত ৰিণিও যাব। কৰবীয়ে ৰে'লৰ ডবাবোৰ গণিব জানে। ৰেলৰ খিৰিকিৰে তাই ওখ পাহাৰ আৰু সেউজীয়া পথাৰবোৰ চাই বৰ আমেজ পায়।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ২৮ |

৬০ ছেকেণ্ড

দিনাংক ................................ চহী ................................

## পঠন অভ্যাস - ৯

ৰাজু আৰু দীপু পূজা চাবলৈ গ'ল। ৰাজুৱে এটা ৰঙা আৰু দীপুৱে দুটা নীলা বেলুন কিনিলে। ৰাজুৰ বেলুনটো ফুটি গ'ল। দীপুৱে তাৰ এটা বেলুন ৰাজুক দিলে। দুয়ো একেলগে খেলি থাকিল।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ২৯ |

৬০ ছেকেণ্ড

দিনাংক ................................ চহী ................................

................................





___/___/_____

সপ্তাহঃ ২১

## পঠন অভ্যাস - ১০

এবাৰ এখন হাবিত ডাঙৰ বানপানী হ'ল। সিংহ, শিয়াল, হৰিণা আৰু হাতীয়ে ওখ ঠাই বিচাৰি গ'ল। সিহঁতে এখন পাহাৰ দেখিলে। ঘূৰি আহি কথাটো হাবিখনৰ আটাইকে জনালে। আটাইয়ে পাহাৰখনলৈ গ'ল আৰু মিলিজুলি থাকিব ল'লে।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৩২ |

৬০ ছেকেণ্ড

দিনাংক ........................ চহী ........................

## পঠন অভ্যাস - ১১

এডাল ডাঙৰ গছত এজনী চৰায়ে বাহ সাজিছিল। তাত চৰাইজনীৰ সৰু সৰু পোৱালীবোৰ আছিল। এদিন মাকজনী আহাৰ বিচাৰি গ'ল। ঘূৰি আহি দেখিলে বাহটো খালী। মাকজনীয়ে বিচাৰি ফুৰি দেখিলে পোৱালীবোৰে গছৰ ডালত খেলি আছে।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৩৩ |

৬০ ছেকেণ্ড

দিনাংক ........................ চহী ........................

## পঠন অভ্যাস - ১২

মামাহঁতৰ এখন ফলৰ বাগিচা আছে। বাগিচাত এজোপা লিচু গছ আছে। গছজোপাত ৰঙা ৰঙা লিচু লাগিছে। মামাই লিচুৰ ৰস উলিয়ালে। ৰিতু আৰু জিতুক মামাই লিচুৰ ৰস খাবলৈ দিলে। মিঠা মিঠা ৰস খাই সিহঁতে বৰ মজা পালে।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৩৫ |

৬০ ছেকেণ্ড

দিনাংক ........................ চহী ........................





........................

___/___/______

সপ্তাহঃ ২২

## পঠন অভ্যাস - ১৩

ৰুবীনাৰ ঘৰ চহৰৰ ওচৰত। ৰুবীনাই পখিলা ভাল পায়। কেতিয়াবা কেতিয়াবা তাই পখিলাৰ দৰে উৰিব খোজে। তাই জানে যে তাই উৰিব নোৱাৰে। কাৰণ তাইৰ পখিলাৰ দৰে পাখি নাই। তাই কিন্তু বেগেৰে খোজ কাঢ়িব পাৰে।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৩৫ |

৬০ ছেকেণ্ড

দিনাংক ..............................  চহী ..............................

## পঠন অভ্যাস - ১৪

এটা ডাঙৰ ভেকুলী আছিল। সি এটা বিশাল পুখুৰীত বাস কৰিছিল। সি গোটেই দিনটো পোক-পৰুৱা খাই থাকে। বৰষুণ পৰিলে সি বৰ ভাল পায়। সি মাজে মাজে টোৰ্-টোৰায়। তাকে শুনি তাৰ লগৰ আন কিছুমান ভেকুলীয়েও টোৰ্-টোৰায়।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৩৫ |

৬০ ছেকেণ্ড

দিনাংক ..............................  চহী ..............................

## পঠন অভ্যাস - ১৫

আজি ৰাতিপুৱা দেউতাই তেওঁৰ ঘড়ীটো বিচাৰি পোৱা নাছিল। দেউতাই আলমাৰী আৰু টেবুলতো বিচাৰি নাপালে। দেউতাই সকলোকে সুধিলে। আমি সকলোৱে মিলি বিচাৰিবলৈ ধৰিলোঁ। বহু সময় বিচৰাৰ পাছত ভাইটিৰ হাতত ঘড়ীটো দেখি সকলোৱে কিৰিলি পাৰি খুব হাঁহিলো।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৩৫ |

৬০ ছেকেণ্ড

দিনাংক ..............................  চহী ..............................

..............................





___/___/_____

সপ্তাহঃ ২৩

## পঠন অভ্যাস - ১৬

জোন, ৰহিম আৰু মেৰী এদিনাখন এখন হাবিত ফুৰিবলৈ গ'ল। হাবিৰ ভিতৰত সিহঁতে নানা ধৰণৰ গছ-লতা আৰু ওখ ওখ বন দেখিলে। বেলেগ বেলেগ চৰাইৰ মাতো শুনিলে। গোটেই দিনটো হাবিত ঘূৰি-ফুৰি, খেলি সিহঁতে আমোদ পালে। গধূলি সিহঁত ঘৰলৈ ঘূৰি আহিল।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৩৮ |




দিনাংক ..............................

চহী ..............................

## পঠন অভ্যাস - ১৭

অমল আৰু মীনাই গছৰ তলত খেলি আছিল। হঠাৎ এটা শহা সিহঁতৰ ওচৰ পালেহি। মীনাই ধৰিব খোজোতেই শহাটোৱে দৌৰিব খুজিছিল যদিও দৌৰিব নোৱাৰিলে। শহাটোৰ ভৰি এখনত কাঁইট সোমাই আছিল। সিহঁতে তাৰ ভৰিৰ কাঁইটডাল উলিয়াই দিলে। শহাটোৱে ৰং মনেৰে গুচি গ'ল।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৩৯ |




দিনাংক ..............................

চহী ..............................

## পঠন অভ্যাস - ১৮

এডাল গছত এটা মকৰাই জাল সাজি বাস কৰি আছিল। এদিন পখিলা এটাই নাচি-নাচি আহি থাকোতে জালখনত লাগি ধৰিলে। জালখনত লাগি ধৰাত পখিলাজনীয়ে ভয়ত চিঞৰিব ধৰিলে। সেই সময়তে হাতী এটা সেই বাটেৰে আহি আছিল। হাতীটোৱে জোৰেৰে ফুঁ মাৰি জালখন ছিঙি দিলে।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৪০ |




দিনাংক ..............................

চহী ..............................





..............................

## পঠন অভ্যাস - ১৯

আইতাই পথাৰৰ পৰা খুতৰা শাক বুটলি আনিছে। পাপৰিয়ে শাকনি বাৰীৰ পৰা বিলাহী ছিঙি আনিছে। আইতাই খুতৰা শাক ভাজিছে। পাপৰিয়ে বিলাহীৰ চাটনী কৰিছে। আইতাই পাপৰিয়ে কৰা বিলাহী চাটনী খালে। পাপৰিয়ে আইতাই ভজা খুতৰা শাক খালে। সকলোৱে দুপৰীয়া সোৱাদেৰে এসাঁজ খালে।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৩৭ |

৬০ ছেকেণ্ড

দিনাংক.................... চহী....................

## পঠন অভ্যাস - ২০

কমলে চাউল আৰু মেঘাই চেনি আনিলে। ৰবিনে গাখীৰ আনিলে। সকলোৱে মিলিজুলি পায়সৰ যোগাৰ কৰিলে। পায়সখিনি খাবলৈ বৰ সোৱাদ লাগিছিল। সকলোৱে পেট ভৰাই পায়স খালে। পদূলিত এটা পখৰা কুকুৰ শুই আছিল। কুকুৰটোকো পায়স খাবলৈ দিলে। সকলোৱে পায়স খাই একেলগে পথাৰত খেলিবলৈ গ'ল।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৪১ |

৬০ ছেকেণ্ড

দিনাংক.................... চহী....................

## পঠন অভ্যাস - ২১

বিহুৰ বতৰ। গছৰ ডালত কুলি-কেতেকীয়ে গান গাইছে। আম গছজোপাত থকা কপৌফুল ফুলিছে। ইনাই ৰিবুহঁতৰ লগত গাঁৱৰ ঘৰবোৰত হুঁচৰি গাবলৈ গৈছে। ৰঙালী বিহুৰ দিনবোৰ গাঁৱৰ মানুহবোৰে ৰং-ধেমালিৰে পাৰ কৰিছে। ৰিবুহঁতে নিজৰ নিজৰ ঘৰৰ পদূলিত নানা ধৰণৰ গছপুলি ৰুইছে। সকলোৱে মিলি গছবোৰৰ যতন ল'ব।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৪২ |

৬০ ছেকেণ্ড

দিনাংক.................... চহী....................

..............................





____/____/______

সপ্তাহঃ ২৫

## পঠন অভ্যাস - ২২

এদিনাখন এটা পখিলাই এখন ধুনীয়া বাগিচা দেখিলে। বাগিচাৰ ফুলবোৰ দেখি তাৰ বৰ ভাল লাগিল। বাগিচাখনত গোলাপ ফুলৰ বাহিৰেও জবা, নয়নতৰা, শেৱালি, তগৰ, বেলি আদি নানান ফুল ফুলি আছিল। পখিলাটোৰ ফুলবোৰৰ পৰা মৌ খাবলৈ বৰ মন গ'ল। সি অলপো সময় নকৰি ফুলে-ফুলে উৰি উৰি হেঁপাহ পলুৱাই মৌ খালে।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৪৭ |

৬০ ছেকেণ্ড

দিনাংক ..............................  চহী ..............................

## পঠন অভ্যাস - ২৩

জুৰি আৰু চুমি দুয়ো বাই-ভনী। এদিনাখন দুয়ো ফুৰিবলৈ গ'ল। গৈ থাকোতে সিহঁতে এজনী শহাই তাইৰ পোৱালীকেইটাৰ লগত খেলি থকা দেখিলে। পোৱালীকেইটা সিহঁত দুয়োজনীৰে বৰ মৰম লাগিল। সিহঁতে সিহঁতৰ বেগত থকা ভজা বুট কেইটামান উলিয়াই পোৱালীকেইটাক মাতি খাবলৈ দিলে। বুট দেখি পোৱালীকেইটা দৌৰি আহিল আৰু ৰং মনে বুট খালে।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৪৯ |

৬০ ছেকেণ্ড

দিনাংক ..............................  চহী ..............................

## পঠন অভ্যাস - ২৪

এদিন এটা সিংহ আৰু এটা ভালুক হাবিত ঘূৰি ফুৰিছিল। ঘূৰি ফুৰোতে সিহঁতে এটা হৰিণা পোৱালী দেখা পালে। সিহঁতৰ মনত বৰ ৰং লাগিল। পোৱালিটোলৈ সিহঁতৰ বৰ মৰম উপজিল। সিহঁতে পোৱালীটোৰ ওচৰলৈ গৈ তাৰ লগত খেলিবলৈ ধৰিলে। পোৱালীটোৰেও বৰ ৰং পাইছিল। সি জঁপিয়াই জঁপিয়াই ইফালে-সিফালে দৌৰি থাকোতে মাকক দেখিবলৈ পালে।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৫০ |

৬০ ছেকেণ্ড

দিনাংক ..............................  চহী ..............................





..............................

___/___/______

সপ্তাহঃ ২৬

## পঠন অভ্যাস - ২৫

পাহাৰৰ মাজেৰে এটি জুৰি বৈ গৈছিল। জুৰিটোৰ পানীবোৰ নীলা ৰঙৰ আছিল। জুৰিটোৰ কাষত নানা ধৰণৰ ফুল ফুলি আছিল। এবাৰ হঠাৎ ডাঙৰ বৰষুণ আহিল আৰু জুৰিটো পানীৰে উপচি পৰিল। জুৰিটোৰ পানীৰ সোঁতে ফুল গছবোৰৰ ডাল সমূহ ভাঙি উটুৱাই নিলে। কিছুদিন পাছত জুৰিটোৰ পানী কমিল। জুৰিটোৰ কাষত থকা ফুলগছবোৰে পুনৰ পোখা মেলিলে। জুৰিৰ পাৰটো দেখিবলৈ পুনৰ শুৱনি হৈ উঠিল।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৫৬ |

৬০ ছেকেণ্ড

দিনাংক.................................... চহী....................................

## পঠন অভ্যাস - ২৬

ধাননিৰ মাজেদি দীপক পঢ়াশালিৰ পৰা আহি আছিল। সি হঠাৎ দূৰত এটা গঁড় দেখিলে। গঁড়টো ধান খাবলৈ ধাননিত সোমাইছিল। দীপকে বেছি চিঞৰ-বাখৰ নকৰিলে। সি লৰা-লৰিকৈ গাঁৱত খবৰ দিলেগৈ। সি চিঞৰা হ'লে গঁড়টোৱে খেদি আহিলহেঁতেন। গাঁৱৰ মানুহ আহি পথাৰত গোট খালেহি। সকলোৱে গঁড়টো হাবিলৈ পঠিওৱাৰ উপায় উলিয়ালে। সকলোৱে টিং বজাই, জুই জ্বলাই, হাই-উৰুমি কৰিবলৈ ধৰিলে। কিছু সময় পিছত গঁড়টো লাহে লাহে হাবিলৈ গুচি গ'ল।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৬০ |

৬০ ছেকেণ্ড

দিনাংক.................................... চহী....................................

## পঠন অভ্যাস - ২৭

আমাৰ চাৰিওফালে গছ-গছনি, ঘৰ-দুৱাৰ, আলি-পদূলি আদি আছে। এয়ে আমাৰ পৰিৱেশ। গেলা-পচা জাবৰ আদিয়ে আমাৰ পৰিৱেশ দূষিত কৰে। ইয়াৰ পৰা আমাৰ শৰীৰৰ ক্ষতি হয়। গতিকে ঘৰৰ চৌপাশ চাফ-চিকুণকৈ ৰখা দৰকাৰ। আমি উশাহত বায়ু লওঁ আৰু পিয়াহত পানী খাওঁ। এই বায়ু আৰু পানী নানা কাৰণত দূষিত হ'ব পাৰে। গাড়ী-মটৰ, কল-কাৰখানাৰ পৰা ওলোৱা ধোঁৱাই বায়ু দূষিত কৰে। গেলা-পচা জাবৰ-জোঁথৰ পৰি পানী দূষিত হয়।

| পঠনৰ স্তৰসমূহ | | | সঠিকভাৱে পঢ়া শব্দৰ সংখ্যা | মুঠ শব্দ |
|---|---|---|---|---|
| স্তৰ- ১ | স্তৰ- ২ | স্তৰ- ৩ | | |
| | | | | ৬০ |

৬০ ছেকেণ্ড

দিনাংক.................................... চহী....................................

....................................





___/___/_____

সপ্তাহঃ ১-৪

## কাউৰীৰ ভেম

এদিন কাউৰী এটাই কেতবোৰ ম'ৰা চৰাইৰ পাখি পালে। পাখিবোৰ বৰ ধুনীয়া আৰু সোণ, ৰূপৰ দৰে জিলিকি আছিল। কাউৰীয়ে ভাবিলে- "ময়ো পাখিবোৰ গাত লগাই লৈ ধুনীয়া হ'ব পাৰোঁ। মোক তেতিয়া ম'ৰা চৰাই বুলি ভাবিব।"

কাউৰীয়ে পাখিবোৰ গাত গুজি ল'লে। সি আন কাউৰীবোৰক এৰি ম'ৰাৰ ওচৰলৈ গ'ল। ম'ৰাজাকে ক'লে- "এইটো কি আহিল? ম'ৰাও নহয় কাউৰী যেনো নালাগে।" সিহঁতে তাক বৰকৈ খুঁটিলে। কোনোমতে সি নমৰাকৈ সাৰিল। গুজি লোৱা পাখিবোৰো সৰি পৰিল। আকৌ কাউৰীটোৱে লগৰ কাউৰীবোৰৰ মাজলৈ আহিল। পিছে কাউৰীবোৰে তাক পুনৰ লগ নিদিলে।

ꝏꝏꝏꝏꝏꝏꝏꝏꝏꝏꝏꝏꝏꝏ

## কাদম আৰু বাছাপী

কাদম আৰু বাছাপী দুজনী সৰু ছোৱালী। সিহঁতৰ ঘৰ দৈয়াঙৰ পাৰত। দৈয়াং পাহাৰী নৈ। এদিন দুয়োজনীয়ে নৈৰ পাৰত খেলি আছিল। কাদমে বালি-ঘৰ সাজিছিল। বাছাপীয়ে উলাহতে পানী-যুৰলিত শিলে শিলে নাচি-বাগি ফুৰিছিল। এবাৰ হঠাৎ পিচলি গৈ তাই পানীত পৰিল। বেচেৰীয়ে পানীত কক্‌বকাবলৈ ধৰিলে। কাদমে দেখা পাই ভয়তে চিঞৰ মাৰিলে। কাদমৰ ককায়েকৰ নাম ৰংবং। সি ওচৰতে বগৰী পাৰি আছিল। ৰংবঙে ভালকৈ সাঁতুৰিব জানিছিল। সি তৎক্ষণাৎ সাঁতুৰি গৈ বাছাপীক তুলি আনিলে। কাদম আৰু বাছাপীয়ে ঠিৰাং কৰিলে, সিহঁতেও সাঁতোৰ শিকিব।

ꝏꝏꝏꝏꝏꝏꝏꝏꝏꝏꝏꝏꝏꝏ

## লুভীয়া কুকুৰ

এদিন এটা কুকুৰে আহাৰ বিচাৰি আছিল। হঠাৎ সি এডোখৰ ডাঙৰ মঙহ পালে। তাৰে আধা সি খালে আৰু আধা লৈ ঘৰলৈ আহিব ধৰিলে।

বাটত সি জুৰিৰ ওপৰেদি পাৰ হ'বলৈ সাঁকোত উঠিল। সাঁকোৰে পাৰ হৈ থাকোতে পানীত তাৰ চকু পৰিল। পানীত সি অন্য এটা কুকুৰে মঙহ এটুকুৰা মুখত লৈ থকা দেখিলে। মঙহ টুকুৰা দেখি তাৰ খাওঁ খাওঁ লাগিল।

কুকুৰটো বৰ লোভী আছিল। কুকুৰটোৱে তলৰ পানীত দেখা কুকুৰটোলৈ চাই ভুকিবলৈ ধৰিলে। নিমিষতে তাৰ নিজৰ মুখৰ মঙহডোখৰো পানীত পৰি গ'ল।

ꝏꝏꝏꝏꝏꝏꝏꝏꝏꝏꝏꝏꝏꝏ



___/___/_____

সপ্তাহঃ ৫-৮

## চিৰিয়াখানা চোৱাৰ আনন্দ

অমলহঁতক বিদ্যালয়ৰ পৰা এদিন চিৰিয়াখানা দেখুৱাবলৈ নিছিল। সিহঁতৰ লগত মিজু বাইদেউ আৰু ৰমেন ছাৰ গৈছিল। সকলো ছাত্ৰ-ছাত্ৰীৰ সৈতে ছাৰ-বাইদেৱে এখন বাছেৰে যাত্ৰা কৰিছিল। লগত খাবৰ বাবে ফল-মূল, মিঠাই, কেক্ আদি লৈছিল। ৰাতিপুৱা দহ বজাত অমলহঁতে চিৰিয়াখানা পালে। ৰমেন ছাৰে সকলোৰে বাবে টিকট কিনিলে। সিহঁতে চিৰিয়াখানাৰ ভিন ভিন জন্তুবোৰ দেখি আনন্দতে চিঞঁৰি উঠিল। মিজু বাইদেৱে সিহঁতক চিঞঁৰিবলৈ মানা কৰিলে। কাৰণ চিঞঁৰিলে জন্তুবোৰে ভয় খাব পাৰে। সিহঁতে বাঘ, ভালুক, সিংহ, জেব্ৰা, হৰিণ আদি জন্তু দেখিলে। ওখ গছবোৰত বান্দৰ আৰু ভিন ভিন চৰাই দেখা পালে। এই সকলোবোৰ দেখি সিহঁতৰ মনবোৰ উলাহত নাচি উঠিল। এনেদৰে দিনটো চিৰিয়াখানাত কটাই আবেলি ঘৰলৈ উভতি আহিল।

## কুকুৰা আৰু মুকুতা

ৰতনৰ এটা কুকুৰা আছিল। ধলপুৱাতে সি ডাক দিয়ে; 'উঠাহঁক' - বুলি সকলোকে মাতিবলৈ ধৰে। এদিনাখন পুৱা নোদোকা কুকুৰাটো ডাক দি ওলাই আহিল। সি আহাৰ বিচাৰি ফুৰিবলৈ ধৰিলে। সি গোবৰ, মাটি নখেৰে খুচৰি খুচৰি আহাৰ বিচাৰি আছিল। অ'ত-ত'ত পোৱা পোক, পৰুৱা খাই আছিল। এনেকৈ খুচৰি থাকোতে এবাৰ এটা ধুনীয়া মুকুতা ওলাল। মুকুতাটোৱে ক'লে- "কুকুৰা ককাই, চোৱা তোমাৰ দৰে ময়ো ধুনীয়া। মোক নি তুমি তোমাৰ গড়ালত থোৱাগৈ। গড়ালটো শুৱনি হৈ উঠিব।"

কুকুৰাটোৱে ক'লে- "মানুহেহে তোমাৰ মোল বুজিব। আমি মুকুতাৰে কি কৰিম? আমাৰ বাবে তোমাতকৈ খুদ-কণৰহে বেছি দৰকাৰ।"

মুকুতাটো আকৌ মাটিৰ তলত সোমাই গ'ল।

## ভেশচন লোৱা গাধ

এদিন এটা গাধই হাবিৰ কাষত সিংহৰ ছাল এখন পালে। গাধই ভাবিলে - "বৰ ভাল হ'ল। এই ছালখন মেৰাই লৈ ফুৰিলে মোক সকলোৱে ভয় কৰিব।" সি ছালখন গাত মেৰিয়াই ল'লে।

বনৰীয়া পশুবোৰে তাক সিংহ বুলি ভাবি ল'লে। তাক দেখিলেই সকলো আঁতৰি যায়। খেতিৰ গৰাকীয়েও তাক দেখিলে খেদি নাহে।

এদিন গাধটোৱে এটা শিয়াল লগ পালে। শিয়ালৰ আগতো সি সিংহ হিচাপে ফুটনি মাৰিলে। পিছে টেঙৰ শিয়ালে কথাটো আগৰ পৰাই গম পাইছিল। সি ক'লে- "ময়ো তোমাক দেখি ভয় খোৱাটো উচিত আছিল। পিছে, সিদিনা মই তোমাৰ মাত শুনিছিলোঁ, সেই দেখিহে নপলোৱাকৈ আছোঁ। তুমি আকৌ বেয়া নাপাবা দেই।" গাধটোৱে লাজ পাই গুচি আহিল।

..........................



___/___/______
সপ্তাহঃ ৯-১৫

## কাউৰীৰ দুখ

এজনী কাউৰী আছিল। তাই নিজৰ ৰূপটোৰ বাবে সদায় দুখ কৰি আছিল। তাই নিজে আন চৰাইবোৰৰ দৰে ধুনীয়া হ'বলৈ বিচাৰিছিল। সেয়ে তাই এদিন ভাটৌ চৰাইৰ ওচৰলৈ গ'ল। তাই ভাটৌৰ নিচিনা ধুনীয়া হ'বলৈ বিচৰা বুলি ভাটৌক ক'লে। তেতিয়া ভাটৌৱে কাউৰীক ময়ূৰ চৰাইৰ ওচৰলৈ যাবলৈ ক'লে। কাৰণ ময়ূৰ চৰাই আটাইতকৈ ধুনীয়া। ভাটৌৰ কথা শুনি কাউৰী ময়ূৰৰ ওচৰলৈ গ'ল। ময়ূৰকো কাউৰীয়ে নিজৰ দুখৰ কথা ক'লে। কাউৰীৰ কথা শুনি ময়ূৰে ক'লে- "মোৰ এই ৰং-বিৰং ৰূপৰ কাৰণে মানুহে মোক সঁজাত ভৰাই থয়। কিন্তু তুমি ধুনীয়াকৈ মুকলি মনেৰে উৰি ফুৰিব পাৰা। গতিকে তুমি নিজৰ ৰূপটো লৈ দুখ নকৰিবা।" ময়ূৰৰ কথা শুনি কাউৰীয়ে নিজৰ ৰূপতে সন্তুষ্ট থকাৰ সিদ্ধান্ত লৈ আনন্দ মনেৰে উৰি গুচি গ'ল।

## বুধিয়ক শিয়াল

এখন হাবিত এটা শিয়াল আছিল। সি অনাই-বনাই গোটেই হাবিখনত আহাৰ বিচাৰি ঘূৰি ফুৰিবলৈ ধৰিলে। ঘূৰি ফুৰোতে তাৰ বৰ ভাগৰো লাগিছিল। শেষত সি এজোপা আঙুৰ গছ দেখিলে। আঙুৰ গছজোপাত থোপা-থোপে আঙুৰ লাগি থকা দেখিলে। আঙুৰবোৰ দেখা পাই শিয়ালৰ বৰ ভোক লাগিল। সি ভাবিলে, 'আঙুৰবোৰ নিশ্চয় বৰ মিঠা।' সি আঙুৰবোৰ ছিঙিবলৈ চেষ্টা কৰিলে। কিন্তু সি আঙুৰবোৰ বৰ ওখত থকা বাবে ঢুকি পোৱা নাছিল। আঙুৰৰ গছজোপা বৰ ওখ আছিল। শিয়ালে বাৰে-বাৰে চেষ্টা কৰিও আঙুৰবোৰ ছিঙিবও নোৱাৰিলে, খাবও নোৱাৰিলে। সি শেষত এটা বুদ্ধি উলিয়ালে। সি তাৰ লগৰীয়াবোৰক মাতি আনিলে। সিহঁতে এটাৰ পিঠিত এটা উঠি আঙুৰবোৰ ছিঙি আনি সমানে ভগাই খালে।

## বান্দৰৰ মহানতা

এদিন জহকালি দুপৰীয়া। প্ৰচণ্ড গৰম। বনৰ জন্তুবোৰে পিয়াহত পানী বিচাৰি চাৰিওফালে ঘূৰি ফুৰিছে। শিয়াল এটাৰো বৰ পিয়াহ লগাত সি পানী বিচাৰিব ধৰিলে। পানী বিচাৰি সি বিভিন্ন ঠাইলৈ গ'ল। কিন্তু ক'তো নাপালে। পানী বিচাৰি সি ভাগৰি পৰিল আৰু এজোপা গছৰ তলত জিৰণি ল'লে। গছজোপাৰ তলত বহি থাকোতে হঠাৎ গছজোপাত বগাই যোৱা আঙুৰ এজোপালৈ তাৰ চকু গ'ল। আঙুৰডালত আঙুৰ থোপাথোপে লাগি আছে। আঙুৰবোৰ পকি মোক খা মোক খা কৰি আছে। আঙুৰ দেখি শিয়ালৰ ভোক -পিয়াহ বাঢ়িল। সি কেনেদৰে গছৰ পৰা আঙুৰ পাৰিব পাৰি ভাবিব ধৰিলে। প্ৰথমতে সি জঁপিয়াই আঙুৰ পাৰিবলৈ চেষ্টা কৰিলে। দুই-তিনিবাৰ চেষ্টা কৰিও সি নোৱাৰিলে। বান্দৰ এটাই শিয়ালৰ এই কাৰ্য চাই আছিল। শিয়ালক দেখি বান্দৰৰ দুখ লাগিল। বান্দৰে তেতিয়া গছৰ ওপৰত জঁপিয়াই উঠি আঙুৰ নিজেও খালে আৰু শিয়ালকো দিলে।



..........................................

## বুঢ়ী আৰু শিয়াল

এদিন এজনী বুঢ়ী তেওঁৰ জীয়েকৰ ঘৰলৈ যাবলৈ ওলাল। বাটত বুঢ়ীয়ে এখন হাবি পালে। হাবিখনত বহুত শিয়াল আছিল। বুঢ়ীক দেখি শিয়ালবোৰে তেওঁক ঘেৰি ধৰিলে আৰু ক'লে- "বুঢ়ী তোক আজি খাম।" বুঢ়ীয়ে ভয় খাইছিল যদিও মনত সাহস গোটাই সিহঁতক ক'লে- "খাব খুজিছ খাবি, কিন্তু মই ভালেমান দিন মোৰ ছোৱালীজনীক দেখা নাই। সেইদেখি মৰাৰ আগেয়ে তাইক এবাৰ চাই লওঁ। মই উভতি আহোতে তহঁতে মোক খাবি।" বুঢ়ীৰ কথাত সিহঁত পতিয়ন গ'ল আৰু বুঢ়ীক যাবলৈ দিলে।

জীয়েকৰ ঘৰত কিছুদিন থকাৰ পিছত বুঢ়ী নিজৰ ঘৰলৈ ঘূৰি আহিব ওলাল। বুঢ়ীয়ে জীয়েকক শিয়ালবোৰৰ কথা বিৰৰি ক'লে। বুঢ়ীৰ জীয়েকে অভয় দি এটা ডাঙৰ লাওৰ খোলাৰ ভিতৰত বুঢ়ীক সুমুৱাই বগৰাই দিলে। বুঢ়ী লাওখোলাটোৰ ভিতৰত থাকি বাগৰি বাগৰি গৈ থাকিল আৰু হাবিখন গৈ পালে। শিয়ালকেইটাই বাগৰি অহা লাওটো দেখি আচৰিত হ'ল আৰু লাওটো ভাঙি পেলালে। বুঢ়ী লাওখোলাৰ পৰা ওলাই "ক'লি আহ, বগী আহ" বুলি নাচি, নাচি ঘৰৰ ফালে দৌৰ মাৰিলে। বুঢ়ীৰ মাত শুনি পোহনীয়া কুকুৰ দুটা দৌৰি আহিল। কুকুৰকেইটা দেখি শিয়ালকেইটা পলাই পত্ৰং দিলে।

## লুভীয়া বাঘ

এখন হাবিত এটা বৰ লুভীয়া বাঘ আছিল। এদিন হাবিত ঘূৰি ফুৰোতে সি প্ৰকাণ্ড জন্তু এটাৰ শ দেখা পালে। শটো দেখিয়েই তাৰ বৰ লোভ লাগিল।

বাঘটোৱে ভাবিলে-"উম্, মোক আজি কোনে পায়। ইমানসোপা মাংস! এতিয়া দৌৰ মাৰি গৈ খোৱাৰহে কথা।" এই ভাবি বাঘটোৱে আগ-পিছ নাভাবি মাংস খাবলৈ ধৰিলে।

খৰ-ধৰকৈ মাংস খাওঁতে তাৰ ডিঙিত এডাল হাড় লাগি ধৰিলে। সি হাড়ডাল উলিয়াবলৈ বৰ চেষ্টা কৰিলে। কিন্তু হাড়ডাল উলিয়াব নোৱাৰিলে। সি বিষত চিঞৰিবলৈ ধৰিলে- "আই ঐ, মৰিলো ঐ।" তাৰ চিঞৰ শুনি ওচৰতে থকা এটা ভালুক দৌৰি আহি কিনো হৈছে সুধিলে। বাঘে ভালুকক সকলো কথা বিৰৰি ক'লে আৰু কান্দিবলৈ ধৰিলে। ভালুকে বাঘক বুজনি দি ক'লে- "ৰ'বাচোন, নাকান্দিবা। আমি বগলী ডাক্তৰৰ ওচৰলৈ যাওঁ ব'লা।"

বাঘটোৰ অৱস্থা দেখি বগলীৰ বৰ দুখ লাগিল। সি অকণো সময় নষ্ট নকৰি বাঘটোক মুখ মেলিবলৈ ক'লে। বগলীয়ে তাৰ দীঘল ঠোঁটেৰে ডিঙিত লাগি থকা হাড়ডাল টানি উলিয়াই দিলে। সেইদিনাৰ পৰা বাঘটোৱে খাওতে সাৱধান হ'ম বুলি শপত খালে।



___/___/_____

সপ্তাহঃ ২১-২৬

## পৰুৱা আৰু ফৰিং

বহুত দিনৰ আগৰ কথা। এটা ফৰিং আৰু এটা পৰুৱা নলে-গলে বন্ধু আছিল। পৰুৱাটোৱে ওৰে দিনটো আহাৰ গোটাই ফুৰে; আৰু ফৰিংটোৱে গান গাই নাচি-বাগি দিনটো পাৰ কৰে। এনেকৈ দিনবোৰ পাৰ হ'বলৈ ধৰিলে আৰু জাৰকালি পালেহি। কিন্তু আমাৰ ফৰিঙৰ খবৰেই নাই। যিমানেই দিন বাগৰিল ঠাণ্ডাও সিমানেই বাঢ়িল। ঠাণ্ডাৰ লগে লগে খোৱা বস্তুৰো নাটনি দেখা দিলে।

এদিন ঠাণ্ডাত ফৰিঙৰ ঘৰৰ পৰা ওলাবলৈ মন নগ'ল আৰু লেপ লৈ শুই থাকিল। পিছে, বেলি দুপৰত তাৰ বৰ ভোক লাগিল। কি খাব, কি কৰিব ভাবি সি তাৰ পাকঘৰলৈ গ'ল আৰু তাত থকা বাচন, টেমাবোৰতনো কি আছে বিচাৰিলে। কিন্তু হায়! খাবলৈ দেখোন একোৱেই নাই। সি ভোকতে চটফটাবলৈ ধৰিলে। পৰুৱালৈ তাৰ মনত পৰিল আৰু পৰুৱাৰ ঘৰলৈ উৰা মাৰিলে।

বন্ধু ফৰিঙক দেখি পৰুৱাই বৰ আনন্দ পালে আৰু অহাৰ কাৰণ সুধিলে। পৰুৱাক লগ পাই ফৰিঙৰ মুখলৈ যেন পানী আহিল। সি পৰুৱাৰ পৰা খোৱা বস্তু বিচাৰিলে। পৰুৱাই তাক কিছু খোৱা বস্তু দিলে আৰু আগলৈ সময়ৰ কাম সময়মতে কৰিবলৈ উপদেশ দিলে।

ঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃ

## বগলীৰ বিয়া

জেঠ মাহৰ দুপৰীয়া। পশু-পক্ষীবোৰে ক্ষন্তেক জিৰাইছে। তেনে সময়তে 'কা-কা' কৈ কাউৰী এজনীয়ে উৰি উৰি কৈ গ'ল- 'কাইলৈ বগলী বাইটিৰ বিয়া। সকলো যাবাহ'ক।" সেই সময়ত বৰভোকোলাই নাক বজাই শুই আছিল। বিয়াৰ কথা সি গমকে নাপালে।

কাউৰীজনী আকৌ উৰি আহিল। শিয়াল পুৰোহিতক শৰাই যাচি মাতিবলৈ আছেই। ফেঁচুমাহীকো সি উৰুলি দিবলৈ মাতিব। পাতসীয়াক আকৌ দৰাৰ চোলা সীবলৈ দিয়া হোৱাই নাই।

পিছদিনা বিয়াঘৰ উদুলি-মুদুলি। লগুণ পিন্ধি শগুণে ভোজ ৰন্ধাত লাগিছে। চিলনীয়ে মাছ দি গৈছেই।

মেকুৰীয়ে বিয়ানাম জুৰিলে। বাঢ়ৈটোকাই তবলা বজালে। ঘৰচিৰিকাই আলহী মতাত ব্যস্ত। বালিমাহীয়ে তামোল যাচি আছে। বাকীবোৰে দৰা-কইনাক নোওৱাত লাগিছে। বৰভোকোলাই গম পাই ভোৰভোৰালে- "আও, ইমান অপমান! মোক বিয়াত নামাতিলে। মইও মজা দেখুৱাম। মেঘ ককাইক মাতি ওলট-পালট কৰি দিম।" এইবুলি কৈ সি ফুটনি মাৰি বহি থাকিল।


ঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃঃ





..........................................

# টোকা






প্ৰস্তুতকৰণ
ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
সমগ্ৰ শিক্ষা, অসমৰ সহযোগত


নিপুণ অসম
NIPUN BHARAT
FOUNDATIONAL LITERACY & NUMERACY (FLN)

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৰে পঢ়ো, সকলোৰে আগবাঢ়ো